## 30.2 বেৰ আৰু মজিয়াৰ চাফ-চিকুণ আৰু যত্ন ঃ

বেৰ আৰু মজিয়াবিলাক চিমেণ্ট আৰু চুণ, শিলগুটি, বালিৰ মিশ্ৰণেৰে বা মাটিৰে প্ৰলেপ দিয়া হয়। বেৰবিলাক হয়তুবা ৰং কৰা নতুবা চূণ দিয়া আৰু কিছুমান বেৰত লগোৱা কাগজেৰে, চিৰামিক টাইলচেৰে, কাপোৰেৰে বা কাঠৰ পাল্লাৰে ঢকা। মজিয়াবিলাকো মাৰ্বল, গ্ৰেনাইট, মজাইক বা কাঠেৰে বনোৱা হয়। বেৰ আৰু মজিয়াৰ বাবে সাধাৰণতে গ্ৰহণযোগ্য প্ৰতিপালন আৰু প্ৰতিৰোধ ব্যৱস্থা কিছুমান তলত উল্লেখ কৰা হ'ল।

টেবুল ৩০.১ ঃ বেৰ আৰু মজিয়াৰ চাফ-চিকুণ

| সমতল | প্ৰতিপালন | প্ৰতিৰোধ |
|---|---|---|
| ৰং কৰা সমতল | (i) ধূলি আৰু মকৰাজালবিলাক নিয়মিতভাৱে আঁতৰাব লাগে।<br>(ii) কুহমীয়া গৰম পানী আৰু পৰিষ্কাৰক পদাৰ্থ ব্যৱহাৰ কৰি ওপৰৰ পৰা তললৈকে কোমল কাপোৰ বা স্পঞ্জৰ সহায়ত মচি পেলাব লাগে।<br>(iii) সতেজ আৰু পৰিষ্কাৰ পানীৰ সহায়ত আওদালিব লাগে। | (i) কেতিয়াও শক্তি প্ৰয়োগ কৰি বেছি ঘৰঁকৈ বেৰবিলাক ঘঁহিব নালাগে আৰু ঘঁহিবলৈ টান বস্তু আৰু বুৰুজ ব্যৱহাৰ কৰিব নালাগে।<br>(ii) কেতিয়াও উগ্ৰ ৰাসায়নিক দ্ৰাৱক ব্যৱহাৰ কৰিব নালাগে। |
| বেৰত লগোৱা কাগজ | (i) যদি ফাটে তুমি তৎক্ষণাত আঠা লগাই পুনৰ নিজৰ ঠাইত সংস্থাপন কৰাটো উচিত।<br>(ii) দাগবিলাক এখন কোমল কপাহী কাপোৰৰ সহায়ত বা স্পঞ্জৰ সহায়ত ঘঁহিব লাগে।<br>(iii) যদি কাগজখন ধোব পৰা হয় তেন্তে মোহাৰি পেলোৱা।<br>যিকোনো তেলৰ দাগ আঁতৰাবলৈ তেল শুহিব পৰা বস্তু, যেনে— পাউদাৰ, সাজিমাটি (Fullek's Earth) ভুচি ইত্যাদি ব্যৱহাৰ কৰিব লাগে। | (i) কেতিয়াও আঁচোৰ বা দাগ নবহাবা |
| চিৰামিক টাইলচ | (i) গৰম পানী আৰু পৰিষ্কাৰ পদাৰ্থ ব্যৱহাৰ কৰি নিয়মিয়াকৈ পৰিষ্কাৰ কৰা।<br>(ii) অনমনীয় বা কঠিন দাগ আঁতৰাবলৈ গৰম পানী আৰু পৰিষ্কাৰক পদাৰ্থৰ সৈতে পানীও ব্যৱহাৰ কৰিব পৰা চিৰিচ কাগজ ব্যৱহাৰ কৰা।<br>(iii) এইবিলাক চাপ-চিকুণ কৰা বাবে বিশেষ ৰাসায়নিক পদাৰ্থসমূহ উপলব্ধ। | (i) বহুত বেছি আম্লিক পদাৰ্থ ব্যৱহাৰ নকৰিব, যিয়ে এইবিলাক ঢিলা কৰি পেলায় আৰু ওলাই আহিব পাৰে। |
| মাৰ্বল/গ্ৰেনাইট/ মজাইক/চিমেণ্ট | (i) গৰম পানীৰ সৈতে চাফা কৰা।<br>(ii) কেতিয়াবা কেৰাচিন তেল আৰু কাঠৰ গুড়িৰ সৈতে চাফা কৰা।<br>(iii) মাৰ্বল বগা আৰু দাগমুক্ত কৰি ৰাখিবলৈ নেমুৰ ৰসেৰে ঘঁহিব লাগে। | (i) চুক আৰু কাষবিলাক দৈনিক চাফা কৰিব লাগে নহ'লে ক'লা পৰি যাব পাৰে। |

## 3.3 মজিয়া ঢকা বস্তুৰ বা আৱৰণৰ প্ৰতিপালন আৰু যত্ন

বেৰ আৰু মজিয়াবিলাকৰ যিদৰে বিভিন্ন ধৰণৰ সমতল আছে আৰু বিভিন্ন চাফা কৰাৰ পদ্ধতি আছে ঠিক সেইদৰে মজিয়া ঢকা বস্তু বা আৱৰণবিলাকৰো চাফা কৰাৰ বিভিন্ন পদ্ধতি আছে। সকলোবিলাক মজিয়া ঢকাৰ কোনো প্ৰয়োজন নাই। আনকি আমাৰ দৰে দেশবিলাকৰ বেছিভাগ মানুহে বিশ্বাস কৰে যে মজিয়া চাফা কৰিবলৈ আটাইতকৈ উজু ব্যৱস্থা হৈছে সাৰা আৰু মচা। যি কি নহওঁক, বহুতো ব্যৱসায়িক প্ৰতিষ্ঠানত মজিয়াবিলাক সম্পূৰ্ণ বা আধা অংশ ঢাকি ৰাখে, প্ৰধানকৈ সুবিধাজনক আৰু সৌন্দৰ্য্যবৰ্ধনৰ বাবে ব্যৱহাৰ কৰে। এই অংশত তুমি কি শিকিলা এইটোৱে তোমাক বিভিন্ন মজিয়াৰ আৱৰণ চাফা কৰাত নিশ্চয় সহায় কৰিব।

টেবুল ৩০২ ঃ মজিয়াৰ আৱৰণৰ চাফ-চিকুণ

| সমতল | প্ৰতিপালন | প্ৰতিৰোধ |
|---|---|---|
| দলিচা | (i) দলিচাখন নিয়মিয়াকৈ চাফা কৰা।<br>(ii) এমাহত এবাৰ দলিচাখন বাহিৰলৈ উলিয়াই ওপৰ ফালটো তললৈ কৰি ঢোকাৰিব লাগে, যাতে ধুলিবোৰ পৰি যায়।<br>(iii) নাইবা ইয়াৰ সলনি ভেকুৱাম ক্লিনাৰ ব্যৱহাৰ কৰি ভালকৈ চাফা কৰিব পাৰি।<br>(iv) ৰং নোহোৱা লেতেৰা দলিচাবিলাক চাবোনৰ দ্ৰৱণৰ সহায়ত ধোৱা। এটা সৰু স্থানত একে সময়তে গোলাকৃতিত বুৰুজডাল ঘূৰাই দলিচাখনৰ ওপৰত ফেনৰ সৃষ্টি কৰা। স্পঞ্জৰ সহায়ত সম্পূৰ্ণকৈ আওদালা আৰু ৰ'দত শুকুওৱা। | (i) মেৰিয়াই ৰখা দলিচাৰ ভিতৰত নেপথেলিন বা কর্পূৰ ৰাখিব লাগে।<br>(ii) কিছুদিনৰ মূৰে মূৰে বতাহ পাবলৈ দিয়া।<br>(iii) মেৰিওৱাৰ আগতে সম্পূৰ্ণকৈ শুকোৱা।<br>(iv) যিকোনো ধৰণৰ দাগ তৎক্ষণাৎ আঁতৰোৱা। |
| ভিনাইল/ লিনলিয়াম | (i) তিতা কাপোৰেৰে চাফা কৰা।<br>(ii) লঘু পৰিষ্কাৰক পদাৰ্থৰ সহায়ত দাগবিলাক ঘঁহা। | (i) পানীত কেতিয়াও তিয়াই ৰাখিব নালাগে বা নাৰাখিবা। মচাৰ আগতে অতিৰিক্ত পানীখিনি যত্ন কৰি মচা কাপোৰখনৰ পৰা চেপি উলিওৱা।<br>(ii) চুকবিলাক নিয়মিয়াকৈ ঘঁহা।<br>(iii) ঘঁহিবলৈ বা ঘঁহাৰ বাবে টান বস্তু ব্যৱহাৰ নকৰিবা।<br>(iv) চডা বা ক্ষাৰ ব্যৱহাৰ কৰাৰ পৰা বিৰত থকা, কাৰণ এইবিলাক লাগি ধৰিব পাৰে। |
| নাৰিকলৰ আঁহৰ পৰা বনোৱা এবিধ কঠ | (i) বুৰুজ বা টান ঝাৰুৰ সহায়ত দৈনিক চাফা কৰা। মাজে-সময়ে এইবিলাক বাহিৰলৈ উলিয়াই নিয়া আৰু ওপৰৰ ফালটো তললৈ কৰি জোকাৰা যাতে ধূলিবিলাক পৰি যায়।<br>(ii) যদি কঠখন বহুত লেতেৰা হয়, চাবোনৰ দ্ৰৱণৰ সহায়ত ধোৱা আৰু ঠাণ্ডা নিমখ পানীৰে আওদালা আৰু বতাহত সম্পূৰ্ণকৈ শুকুওৱা। | (i) এইবিলাক বহুত লেতেৰা হ'বলৈ নিদিবা।<br>(ii) সম্পূৰ্ণকৈ শুকুওৱা। |

| | | |
|---|---|---|
| ৰং কৰা কাঠ | (i) কাপোৰখনেৰে দুবাৰ মোচা আৰু এছাৰ কাঠৰ লাচুবিৰ সহায়ত মোচোৱা।<br>(ii) এইবিলাক চাবোনৰ পানীৰে ধুই, আৱশ্যকীয় কাপোৰ শুকুৱাব লাগে। | |

কাৰ্য 30.1

চিমেণ্ট, মাৰ্বলৰ মজিয়া, ৰং কৰা দুৱাৰ, দলিচা, নাৰিকলৰ খোঁহৰ কাঠ, স্নানাগাৰৰ টাইলচ ইত্যাদিৰ চাফ-চিকুণৰ বাবে দৈনিক, সাপ্তাহিক আৰু মাহেকীয়া পৰিকল্পনাৰ বিষয়ে লিখা।

| সমতল | দৈনিক | সাপ্তাহিক | মহেকীয়া |
|---|---|---|---|
| (i) চিমেণ্টৰ মজিয়া | | | |
| (ii) মাৰ্বলৰ মজিয়া | | | |
| (iii) ৰং কৰা মজিয়া | | | |
| (iv) দলিচা | | | |
| (v) নাৰিকলৰ খোঁহৰ কাঠ | | | |
| (vi) স্নানাগাৰৰ টাইলচ | | | |

### 3.4 কাঠৰ সমতলৰ চাফ-চিকুণ ঃ

আচবাব পত্ৰ বনাবলৈ, পাকঘৰত ব্যৱহৃত মেজৰ সমতল আৰু মজিয়াৰ সমতল বনাবলৈ কাঠ ব্যৱহাৰ কৰা হয়। এইবিলাক এনেদৰে বনোৱা হয় যাতে ইয়াৰ গাঁত বা বিন্ধাবিলাক বন্ধ হৈ থাকে। উইপৰুৱা প্ৰতিৰোধৰ বাবে কাঠৰ যত্ন লোৱাটো দৰকাৰ। ধূলি, তেল আৰু অন্যান্য বাগৰি পৰা বা নষ্ট হোৱা পানীৰ বাবে কাঠৰ সমতলৰ যত্ন ল'ব লাগে অন্যথা স্থায়ী চিন বা দাগ হৈ যাব পাৰে।

টেবুল 30.3 কাঠৰ সমতলৰ চাফ-চিকুণ ঃ

| কাঠৰ সমতল | প্ৰতিপালন | প্ৰতিৰোধ |
|---|---|---|
| সমান কাঠ (যেনে বস্তু কটা কাঠৰ ফলি, বেলনা, পিঠা বনোৱা ফলি) | (i) মৃদু চাবোন আৰু গৰম পানীৰ সহায়ত ধোৱা, আওলোৱা আৰু শুকুওৱা।<br>(ii) ফলিত লাগি থকা খাদ্যবস্তুসমূহ এখন চুৰিৰ দ্বাৰা চাঁচিব পাৰি। | (i) সদায় মেঁহ, ধান আদিৰ বীজৰ দ্বাৰা ঘঁহা।<br>(ii) কেতিয়াও টীন বুৰুজ ঘঁহিবৰ বাবে ব্যৱহাৰ কৰিব নালাগে।<br>(iii) পানীত তিয়াই ৰখাৰ পৰা বিৰত থাকা। কেতিয়াও বেছি গৰম পানী ব্যৱহাৰ নকৰিবা। কিয়নো কাঠ ফুলি যাব পাৰে।<br>(iv) উগ্ৰ চাফ-চিকুণ কৰা পদাৰ্থ ব্যৱহাৰৰ পৰা বিৰত থাকা। |
| পালিচ লগোৱা কাঠ | (i) ধূলি গুচাব লাগে আৰু ফ্লেনেল কাপোৰৰ সহায়ত ঘঁহা।<br>(ii) পানীৰ চিনবিলাক মিথাইলেটেড স্পিৰিট/টাৰপেণ্টাইন বা মৃদু এমনিয়া দ্ৰৱণৰ দ্বাৰা চাঁচবোৱা। | (i) কাঠৰ ওপৰত পানী বা জুলীয়া বস্তু বা অন্য খোৱাবস্তু পেলোৱাৰ পৰা বিৰত থাকা।<br>(ii) তৎক্ষণাত টেবুলত পৰা পানী বা অন্যবস্তু মোহাৰি পেলোৱা। |

| | | |
|---|---|---|
| ৰং কৰা কাঠ (দুৱাৰ আৰু খিৰিকী) | (i) মৃদু চাবোন আৰু পানীৰ দ্বাৰা চাফা কৰা। চিক্‌মিকনি আহিবৰ বাবে শুকান ফ্লেনেল কাপোৰৰ দ্বাৰা ঘঁহা।<br>(ii) ভালদৰে সংৰক্ষণ কৰিবলৈ কিছুদিনৰ মূৰে মূৰে ৰং কৰা। | (i) সকলোবোৰ চাবোনৰ দাগ সাৱধানে আঁতৰোৱাটো নিশ্চিত কৰা নহ'লে দাগবিলাক সমতলত ৰৈ যাব। |
| আৱৰণ বা তৰপ লগোৱা কাঠ, মেৰামতি কৰা কৰা কাঠৰ তক্তা (চানমাইকা) | (i) এখন তিতা কাপোৰেৰে মচি পেলোৱা।<br>(ii) গৰম বস্তুৰ পৰা হোৱা চিন আঁতৰাবলৈ ধাতুৰ পালিচ দি ঘঁহা আৰু মৃদু পৰিষ্কাৰক পদাৰ্থৰ সহায়ত ধোৱা।<br>কাঠৰ তক্তাৰ সমতল (veneeri) চাফা কৰিবলৈ মমৰ পালিচ বা মলম ব্যৱহাৰ কৰা। | (i) আঁচোৰ লগোৱাৰ পৰা বিৰত থকা আৰু ঘঁহিবলৈ টান বস্তু ব্যৱহাৰ নকৰিবা।<br>(ii) সকলোবিলাক দাগ তৎক্ষণাত মোহাৰি পেলোৱা যাতে স্থায়ী দাগ ৰৈ নাযায়। |

**3.5 ধাতুৰ সমতলৰ যত্ন**

বাচন-বৰ্তন, সা-সঁজুলিবিলাক তাম, পিতল, আইনা, ষ্টিল, ৰূপ লোহা ইত্যাদিৰ পৰা বনোৱা হয়। পিতল আৰু তাম লগ হৈ সেমেকা বতৰত নীল সেউজীয়া ৰঙৰ এটা বিহজাতীয় পদাৰ্থ গঠন কৰে। আমি এই সকলোবিলাকৰ প্ৰতিপালন বেলেগ বেলেগ ধৰণে কৰিব লাগে। তাৰে কিছুমানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

**টেবুল ঃ 30.4 ধাতুৰ সমতলৰ চাফ-চিকুণ**

| সমতল | প্ৰতিপালন | প্ৰতিৰোধ |
|---|---|---|
| পিতল আৰু কপাৰ | (i) চাবোন আৰু চাফা কৰা পাউদাৰৰ সহায়ত লাহে লাহে ঘঁহা। নেমুৰ ৰস আৰু নিমখ, ভিনেগাৰ বা তেতেলীৰ মঙহাল অংশৰ লগত মিহি ষ্টিল ওল ব্যৱহাৰ কৰি ঘঁহা। চালি থোৱা ছাই ঘৰত বাচন-বৰ্তন চাফ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।<br>(ii) পিতলৰ বস্তুবিলাক এডাল পুৰণা দাঁত ঘঁহা বুৰুজৰ বা ব্ৰাচৰ সহায়ত ঘঁহি চাফা কৰা।<br>(iii) 'ব্ৰাচো' বা মৃদু হাইড্ৰক্লৰিক এচিড (অম্ল) ব্যৱহাৰ কৰি লেতেৰা সজোৱা বস্তুবিলাক চাফা কৰা। | (i) ব্ৰাচো বা যিকোনো ৰাসায়নিক দ্ৰব্য ৰন্ধা বা খোৱা বাচন-বৰ্তন চাফা কৰিবলৈ ব্যৱহাৰ কৰিব নালাগে। কাৰণ সেইবিলাক বিহজাতীয় দ্ৰব্য। |
| ৰূপ আৰু ৰূপৰ প্ৰলেপ দিয়া বস্তু— চাহ বকা মগ, থাল ইত্যাদি বনাবলৈ ব্যৱহাৰ কৰা হয়। | (i) ব্যৱহাৰ কৰাৰ পাছত গৰম, চাবোনৰ পানীৰে ধুই পেলাব লাগে।<br>(ii) ক'লা পৰা ৰোধ কৰিবলৈ প্ৰত্যেকটো বস্তু বেলেগ বেলেগ টিচু কাগজেৰে মেৰিয়াই থোৱা।<br>(iii) দীঘলে দীঘলে এখন কোমল কাপোৰৰ সহায়ত ঘঁহা।<br>(iv) যিকোনো ধৰণৰ চাহৰ দাগ আঁতৰাবলৈ ডাঙৰ চামুচেৰে ২ চামুচ (2-tbsp) চডা আৰু উতলা গৰম পানী ব্যৱহাৰ কৰা। সজোৱা বস্তুবিলাক 'চিলভো' নামৰ পালিচ এটাৰে ঘঁহা। | (i) কেতিয়াও খহটা ঘঁহা বস্তু ব্যৱহাৰ কৰিব নালাগে, কাৰণ এইবিলাকত সহজে আঁচোৰ লাগে।<br>(ii) কোমল ঘঁহা বস্তু ব্যৱহাৰ কৰিব লাগে। |
| ষ্টিল | (i) ঠাণ্ডা বা গৰম পানীৰ লগত পৰিষ্কাৰক | (i) টান মজা বা ঘঁহা বস্তু ব্যৱহাৰ |

| | | |
|---|---|---|
| | পদাৰ্থ ব্যৱহাৰ কৰি চাফা কৰা।<br>(ii) বেয়াকৈ লগা দাগবিলাক আঁতৰাবলৈ কোমল ঘঁহা বস্তু ব্যৱহাৰ কৰা।<br>(iii) পুৰি যোৱা ষ্টিলৰ বাচন-বৰ্তনসমূহ নিমখ পানীত ডুবাই ৰাখা আৰু কোমল ঘঁহিব পৰা বস্তু ব্যৱহাৰ কৰি ঘঁহা। | কৰিব নালাগে, কাৰণ এইবিলাকে ষ্টিলত আঁচোৰ পেলায়। |
| লোহা | (i) ব্যৱহাৰ কৰাৰ পাছত সোনকালে ধুই পেলোৱা।<br>(ii) চাপ মাৰিবৰ বাবে সমতলখনত তেলৰ লেও দিব লাগে।<br>(iii) দাগ আঁতৰাবলৈ ইটা গুড়ি, ইত্যাদি ব্যৱহাৰ কৰা। | (i) সম্পূৰ্ণকৈ শুকোওৱা, তিতি বা সেমেকি থাকিলে মামৰে ধৰিব পাৰে। |
| লাগি নধৰা বা টেফলনৰ লেও দিয়া (তাৱা, কেৰাহী ব্ৰেড সেকা, চচ্‌পেন) | (i) ব্যৱহাৰ কৰাৰ আগতে তেলৰ লেও দি লব লাগে।<br>(ii) ব্যৱহাৰৰ পাছত তৎক্ষণাত আওদালি পেলাব লাগে।<br>(iii) স্পঞ্জ আৰু চাবোন পানীৰ সহায়ত চাফা কৰা, আওদালা আৰু শুকোৱা। | (i). ষ্টিল উল বা টান ঘঁহা বস্তু ব্যৱহাৰ কৰিব নালাগে। |

**প্লাষ্টিক ঃ**

আইনা খিৰিকী, টেবুলৰ ওপৰভাগ, দুটা কোঠাৰ মাজৰ বেৰ, চোঁচৰাই খোলা দুৱাৰ আদিত ব্যৱহাৰ কৰা হয়। বেত পাতল ওজনৰ হয় আৰু প্ৰায়ে চকী আৰু মেজত ব্যৱহাৰ কৰা হয়। বটল, মাগ, বাল্টি ইত্যাদিত প্লাষ্টিক ব্যৱহাৰ কৰা হয়।

**টেবুল 30.5 ঃ আইনা, বেত আৰু প্লাষ্টিকৰ চাফ-চিকুণ**

| সমতল | প্ৰতিপালন | প্ৰতিৰোধ |
|---|---|---|
| আইনা | (i) পানী আৰু বাতৰি কাকতৰ সোপাৰে চাফা কৰা।<br>(ii) চিক্‌মিকনি আনিবৰ বাবে ভিনেগাৰ মিহলোৱা পানীত আওদালা।<br>(iii) গৰম পানীৰ লগত এমনিয়া মিহলাই তেলৰ দাগ গুচোৱা।<br>(iv) মিথাইলেটেড স্পিৰিটৰ সহায়ত ঘঁহি অস্থায়ী দাগবিলাক আঁতৰাব লাগে। | (i) ঘঁহাৰ বাবে আৰু ঘঁহিবলৈ টান বস্তু ব্যৱহাৰ কৰিব নালাগে, কিয়নো ই দাগ বহাব পাৰে। |
| বেত | (i) নিয়মিয়াকৈ ধূলি গুচাব লাগে আৰু চুকবিলাকত উৰহ, মকৰা আৰু পঁইতাচোৰা নহ'বলৈ চাফা কৰিব লাগে। চুকবিলাক চাফা কৰিবলৈ বুৰুজ ব্যৱহাৰ কৰা।<br>(ii) গৰম নিমখ পানীৰ সহায়ত ধোৱা (ডাঙৰ চামুচ বা টেবুল চামুচেৰে এক চামুচ নিমখ এক লিটাৰ পানীত মিলাব লাগে) তাৰ পাছত মুক্ত বতাহত সম্পূৰ্ণকৈ শুকোৱা।<br>(iii) দাগ নপৰিবলৈ বাৰ্ণিচ কৰা।<br>জুলীয়া মমৰ পালিচেৰেও এইবিলাক পালিচ কৰিব পাৰি। | (i) পানীত তিয়াই ৰখাৰ পৰা বিৰত থাকা। |

| | | |
|---|---|---|
| প্লাষ্টিক | (i) অনমনীয় দাগ আঁতৰাবলৈ কেৰাচিন তেল প্ৰয়োগ কৰা, সম্ভৱ হ'লে ৰ'দত দিয়া। | (i) ঘঁহিবলৈ টান বস্তু ব্যৱহাৰ কৰিব নালাগে, কাৰণ এইবিলাকত সহজে আঁচোৰ পৰে।<br>(ii) ক্লৰিণৰ ব্যৱহাৰ কৰিব নালাগে। |

**কাৰ্য্য 30.2 ঃ** তলত উল্লেখ কৰা যিকোনো সমতলৰ চাফ-চিকুণ কৰিবলৈ অভ্যাস কৰা।
কাঠৰ চকী, আইনাৰ খিৰিকী, পিতলৰ দানি, প্লাষ্টিক বাল্টি, চিৰামিক মাগ, বেতৰ পাঁচি, প্লাষ্টিকৰ মেজ ঢকা কাপোৰ, পাকঘৰত ব্যৱহৃত টেবুল।